
# *2020-2021*
# *Articles / Chapters published in Books*

1. Dr.ChewariSarma

*Birendra kumarBhattacharyarUponyashotSamajikChetona*




PRINCIPAL, i/c
Marangi Mahavidyalaya

**BORLUIT**- A Commemorative Volume, edited by Yugal Jyoti Borah and published by Pragjyotika Kabya Kanan, No. 1. Borjangaon, Golaghat-785610 on behalf of Celebration Committee, 5th Biennial State Conference,Asomiya Sahitya Sanmilanee, Doyang College, Merapani, Golaghat-785705, Assam. Printed at Arindam Pritners, ,Guwahati. Price Rs. 250/ Only.

ISBN: 978-81-947352-0-5

© Celebration Committee, 5th Biennial State Conference, Asomiya Sahitya Sanmilanee

# বৰলুইত

স্মাৰক গ্ৰন্থ

পঞ্চম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশন,

অসমীয়া সাহিত্য সন্মিলনী, দৈয়াং মহাবিদ্যালয়।

সম্পাদনা সমিতিঃ

উপদেষ্টা ঃ ড° চৌধুৰী নাথ শইকীয়া
অশোক দাস

সভাপতি ঃ মনোজ কুমাৰ শইকীয়া

সম্পাদক ঃ যুগলজ্যোতি বৰা

সম্পাদনা সহযোগী ঃ দ্বীপেন বৰা,
পিংকু শইকীয়া

**দৈয়াং বিশেষ**'ৰ তত্বাবধায়ক ঃ দেৱযানী বৰগোহাঁই বৰুৱা, দিপেন বৰা

প্ৰকাশকাল ঃ ৭ ফেব্ৰুৱাৰী, ২০২১

প্ৰকাশক ঃ উদ্‌যাপন সমিতিৰ হৈ প্ৰাগজ্যোতিকা কাব্য কানন, ১ নং বৰজান গাঁও, গোলাঘাট - ৭৮৫৬১০, ফোন - ৯৪০১০৯৬৬৭৬ গোলাঘাট

অক্ষৰ বিন্যাস আৰু অঙ্গসজ্জা ঃ জোনাক প্ৰিন্টাৰ্চ, মেৰাপানী, গোলাঘাট

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা

ছপা ঃ অৰিন্দম প্ৰিন্টাৰ্চ,গুৱাহাটী

মূল্য ঃ ২৫০/ মাত্ৰ

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

# বিষয়সূচী —


- সম্পাদকীয়
- সাহিত্যঃ সংকীৰ্ণতাৰ বিপক্ষে আৰু মানৱতাৰ সপক্ষে ঃ ড° দিলীপ বৰা/ ১১
- পৃষ্ঠভূমিৰ আলাপ ঃ ড° হীৰেন গোহাঁই/ ১৫
- অসমীয়াৰ ইতিহাস চেতনা আৰু ভৱিষ্যতমুখী দৃষ্টি দৰ্শন ঃ পৰাগ পৱন শৰ্মা বড়া/ ২২
- অসম তথা অসমীয়া জাতি গঠন প্ৰক্ৰিয়া,
  বৰ অসম ধাৰণাৰ স্বপ্নদ্ৰষ্টা স্বৰ্গদেউ চুকাফা ঃ ড° বিজয় শৰ্মা/ ৩২
- সাম্ৰাজ্যবাদী বিৰোধী সংগ্ৰামৰ মাজেদি অসমীয়াৰ স্বাভিমান ঃ ময়ূৰ বৰা/ ৪০
- জাদুৰামি সৰল বানানৰ প্ৰথম প্ৰবল প্ৰবক্তা,
  আভিধানিক মাইলচ ব্ৰনচন ঃ দ° দেৱব্ৰত শৰ্মা/ ৪৭
- শঙ্কৰদেৱ অধ্যয়ন ঃ মনোজ কুমাৰ শইকীয়া / ৫২
- *নামঘোষাত* মাধৱদেৱৰ মহত্ত্ব ঃ ড° দীপালি গগৈ/ ৫৮
- সাহিত্যৰথী বেজবৰুৱা আৰু বাঁহী ঃ ড° ৰুবী বৰা/ ৬৫
- জ্যোতিপ্ৰসাদ ঃ বিন্দুৰ পৰা বিশ্বৰ জনসভালৈ ঃ ৰাজীৱবল্লভ গোস্বামী/ ৭১
- বিষ্ণুৰাভাৰ সৃষ্টি আৰু দৃষ্টিত অসম আৰু অসমীয়া চেতনা ঃ হেমযুৱন / ৭৮
- অম্বিকাগিৰীৰ ৰচনাত জাতীয় চিন্তা চৈতনা ঃ ড° প্ৰাপ্তি ঠাকুৰ/ ৯১
- অৰ্ন্তজীৱনৰ গভীৰ সুৰ ঃ পাৰ্বতি প্ৰসাদ বৰুৱাৰ
  গীতৰ এক চমু বিশ্লেষ ঃ পাপৰি শইকীয়া বৰা/ ১০১
- ভূপেন হাজৰিকাৰ সৃষ্টি আৰু চেতনাত আন্তৰ্জাতিকতা ঃ মনোজ কুমাৰ শইকীয়া/ ১০৮
- বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত সামাজিক চেতনা ঃ ছেৱাৰী শৰ্মা/ ১১৩
- মামণি ৰয়ছম গোস্বামীৰ উপন্যাস ঃ ড° অজন্ত্ৰ ৰাজখোৱা/ ১১৯
- ড° অৰূপা পটঙ্গীয়া কলিতাৰ 'মৰিয়ম আষ্টিন অথবা
  হীৰা বৰুৱা' অসমীয়া সাহিত্যৰ এক শক্তিশালী পৰিচয় ঃ ড° জ্যোতিৰ্ময়ী ভট্টাচাৰ্য/১
- ৰাজনীতি আৰু অসমীয়া উপন্যাস ঃ ড° নয়নমনি মেধি/ ১৪০


Scanned by TapScanner

# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত সামাজিক চেতনা

*ছেৰাৱী শৰ্মা*

স্বৰাজোত্তৰ কালৰ আধুনিক অসমীয়া সাহিত্যৰ বৈচিত্ৰ্য আৰু গভীৰতা অনুধাৱন কৰাৰ সময়তে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ভূমিকা যথেষ্ট প্ৰাসংগিক যেন অনুমান হয়। সাহিত্য সৃষ্টি আৰু সমাজ চিন্তাৰ ক্ষেত্ৰত তেওঁ যথেষ্ট সচেতন আছিল। অসমীয়া সাহিত্যৰ উপন্যাস, চুটি গল্প, কবিতা, প্ৰবন্ধৰ সকলো দিশতে তেওঁৰ বৰঙণি দেখা যায়। তদুপৰি তেওঁ সমাজৰ প্ৰতি সচেতন চিন্তাধাৰাৰে সমৃদ্ধ হৈ সাংবাদিক আৰু সম্পাদকৰ দায়িত্বও বহন কৰে। সেয়েহে তেওঁৰ লেখনি আৰু সম্পাদিত সমগ্ৰ ৰচনাত অসমীয়া সমাজ তথা ঐতিহ্য সম্পৰ্কে চিন্তা-চৰ্চাৰ পৰিচয় পোৱা গৈছিল। এনে এক সুকীয়া চিন্তাধাৰাৰ বাবে ভট্টাচাৰ্যই অসমৰ লগতে ভাৰতৰ ভিতৰতে এগৰাকী আগশাৰীৰ সাহিত্যিক ৰূপে প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সাহিত্যৰ জৰিয়তে জীৱনৰ বাস্তৱ প্ৰকাশৰ ওপৰত গুৰুত্ব দিছিল। যাৰ বাবে তেওঁৰ প্ৰায়বোৰ গল্প-উপন্যাসতে সামাজিক পৰিবৰ্তন প্ৰক্ৰিয়াত সাধাৰণ ব্যক্তি সমাজ কেনেদৰে জড়িত হৈ থাকে তাক অতি সুন্দৰ ৰূপত প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়। ভট্টাচাৰ্যই তেওঁৰ জীৱনকালত সমসাময়িক প্ৰতিটো সামাজিক স্তৰৰ প্ৰতি সচেতন হোৱা দেখা যায়। সেয়েহে স্বাধীনতাৰ পূৰ্ববৰ্তী আৰু পৰৱৰ্তী সময়ত অসমীয়া সামাজিক ক্ষেত্ৰত হোৱা পৰিবৰ্তনৰ লগতে ৰাজনৈতিক প্ৰভাৱৰ প্ৰতিটো দিশ তেখেতে সাহিত্যত অংকন কৰিছে। এনে পৰিবৰ্তনৰ ফলত সৃষ্টি হোৱা নতুন মূল্যবোধ ব্যক্তি মানসিকতাত পেলোৱা প্ৰভাৱৰ প্ৰসংগই তেওঁৰ সৃষ্টি কৰ্মৰ মূল উপজীৱ্য বুলিব পাৰি। সেয়েহে তেওঁৰ গল্প, উপন্যাসসমূহ অসমীয়া সমাজৰ প্ৰতিটো দিশৰ বাস্তৱ প্ৰতিফলন ঘটিছে বুলিব পাৰি।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ বিষয়ে এটা নিৰ্দিষ্ট দিশত আলোকপাত কৰিবলৈ যোৱাৰ পূৰ্বতে জীৱনকাল তথা সাহিত্যকৃতি সম্পৰ্কে এটি আভাস দিয়াটো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়। লেখকৰ জীৱনকালৰ পৰ্যাপ্ত অভিজ্ঞতাৰেই সাহিত্যকৃতিয়ে নিৰ্দিষ্ট পৰিসৰ লাভ কৰিবলৈ সক্ষম হয়। ১৯২৪ চনৰ অক্টোবৰ মাহৰ ১৪ তাৰিখে শিৱসাগৰ জিলাৰ চফ্ৰাইচাহ বাগিচাত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ জন্ম হয়। চফ্ৰাই বাগিচাৰ লগতে যোৰহাট চৰকাৰী হাইস্কুলত স্কুলীয়া শিক্ষা লাভ কৰা ভট্টাচাৰ্যই কটন কলেজৰ পৰা উচ্চ শিক্ষা অৰ্জন কৰে। বিদ্যালয়ত পঢ়া দিনতে লিখিবলৈ আৰম্ভ কৰা ভট্টাচাৰ্যই পৰৱৰ্তী কালত 'ৰামধেনু' আলোচনীৰ সম্পাদকৰ দায়িত্বভাৰ সুচাৰুৰূপে বহন কৰিবলৈ সক্ষম হয়। তেওঁ ১৯৫২ চনৰ এপ্ৰিলৰ পৰা (পঞ্চম বছৰ, প্ৰথম সংখ্যা) ১৯৬৩ চনৰ



PRINCIPAL, i/c
Marangi Mahavidyalaya
Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

এপ্ৰিল (ষোড়শ বছৰ, প্ৰথম সংখ্যা) লৈকে 'ৰামধেনু' কাকতৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰে। ১৯৬৩ চনত 'ৰামধেনু'ৰ সম্পাদনাৰ পৰা পদত্যাগ কৰি 'সাদিনীয়া নৱযুগ' কাকতৰ দায়িত্বভাৰ চাৰিবছৰৰ বাবে গ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সাংবাদিকতা বিভাগত শিক্ষকতা কৰা ভট্টাচাৰ্যই অসম সাহিত্য সভাৰ বঙাইগাঁৱত অনুষ্ঠিত অধিৱেশনৰ (১৯৮৩ চন) সভাপতিত্ব কৰে। ১৯৮৬ চনৰ পৰা 'অসম প্ৰকাশন পৰিষদে' প্ৰকাশ কৰা আলোচনী 'প্ৰকাশ'ৰ সম্পাদনাৰ দায়িত্ব বহন কৰে। কুৰুক্ষেত্ৰ বিশ্ববিদ্যালয়তো শিক্ষকতা কৰা ভট্টাচাৰ্যই ছোভিয়েট ৰাছিয়া, চীন, যুগোশ্লোভিয়া আদি দেশ ভ্ৰমণ কৰি সমাজ আৰু সাহিত্য সম্পৰ্কীয় বিভিন্ন অভিজ্ঞতা অৰ্জন কৰে। এইজন সাহিত্যৰ বিভিন্ন দিশৰ সঠিক উপস্থাপনৰ লগত জড়িত ব্যক্তিৰ ১৯৯৭ চনৰ 'আগষ্ট মাহৰ ৬ তাৰিখে দেহাৱসান ঘটে। তেওঁৰ সাহিত্য কৰ্মৰ মাজত অসমীয়া সমাজৰ যি স্থায়ী পটভূমি নিৰ্মিত হৈছে তাৰ বীজ 'মৃত্যুঞ্জয়' উপন্যাসতে নিহিত হৈ আছে। এই উপন্যাসৰ বাবে ১৯৭৯ চনত ভাৰতবৰ্ষৰ সৰ্বোচ্চ সাহিত্য সন্মান 'জ্ঞানপীঠ বঁটা' লাভ কৰিবলৈ সক্ষম হয়।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসমীয়া সাধাৰণ জনজীৱনৰ প্ৰতিটো বিষয় সাহিত্যৰ সমলসমূহৰ মাজত উপস্থাপন কৰাৰ প্ৰয়াস কৰিছিল। জনসাধাৰণৰ বাবে সামাজিক স্তৰৰ প্ৰতিটো ক্ষেত্ৰৰ দৰে ৰাজনৈতিক চেতনাও অতিশয় গুৰুত্বপূৰ্ণ আছিল। সেয়েহে তেওঁ গল্প-উপন্যাস আদি সাহিত্যৰ মাধ্যমসমূহ ৰাজনৈতিক প্ৰভাৱ পুষ্ট হোৱাৰ লগতে ঐতিহ্য সচেতন হোৱাও পৰিলক্ষিত হয়। বৃটিছ ঔপনিৱেশিকতাবাদী শক্তিয়ে স্থবিৰ কৰি তোলা অসমৰ শৈক্ষিক-সাহিত্যিক পৰিৱেশত অসমীয়া ছাত্ৰসকলে এক নতুন চিন্তাৰ জোৱাৰ তোলে। ইউৰোপীয় চিন্তা-ভাৱনাৰ দ্বাৰা প্ৰভাৱিত সাহিত্যৰ নতুন ধাৰাটোৰ প্ৰতি এইসকল সাহিত্যিকৰ প্ৰৱল আস্থা আছিল। ৰোমাণ্টিক সাহিত্য আন্দোলনৰ হোতাসকলৰ পথকে অনুকৰণ কৰি স্বকীয় চিন্তাৰ প্ৰকাশ ঘটোৱা ভট্টাচাৰ্যৰ বাবে জীৱনৰ প্ৰতিটো স্তৰতে এক সুকীয়া অভিজ্ঞতাই ক্ৰিয়া কৰিছিল। সেয়েহে গৱেষণা, সাংবাদিকতা, শিক্ষকতা, সমাজবাদী চিন্তাৰে তেওঁ সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছিল। সাধাৰণ শ্ৰেণীৰ জীৱন-নিৰ্বাহৰ সমস্যা আৰু সংগ্ৰামৰ লগতে ৰাজনৈতিক প্ৰভাৱৰ এক বাস্তৱ চিত্ৰ তেওঁৰ সাহিত্যৰ মূল উপজীৱ্য ৰূপে বিবেচিত হৈছে। সামাজিক উন্নয়নৰ বাবে সমতা প্ৰতিশ্ৰুতাৰ জৰিয়তে জনসমাজৰ সামগ্ৰিক কল্যাণ কৰাটোৰ ওপৰত তেওঁ গুৰুত্ব দিয়ে। এনে উদ্দেশ্যৰেই ভট্টাচাৰ্যই 'ৰামধেনু' কাকতৰ জৰিয়তে এক বাস্তৱবাদী সাহিত্যৰ গুৰি ধৰিছিল। তেওঁ অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নতুন চিন্তাৰ বাট মুকলি কৰা এখন আলোচনীৰ লগত জড়িত হৈ পৰাৰ বাবেও এনে চিন্তাৰ বাট মুকলি হৈছিল বুলি ধাৰণা কৰিব পাৰি। 'ৰামধেনু'ৰ পাততে অসমীয়া সাহিত্য সমকালীন ঘটনা প্ৰৱাহৰ সামগ্ৰিক প্ৰভাৱেৰে পৰিপুষ্ট হৈ উঠাৰ লগতে পাশ্চাত্য দৰ্শনৰ প্ৰলেপেৰে বিশ্ব-সাহিত্যৰ এক অংশ স্বৰূপ হৈপৰে। স্বাধীনতা আন্দোলনত সক্ৰিয় অংশগ্ৰহণৰ লগতে বিভিন্ন দেশ ভ্ৰমণৰ অভিজ্ঞতাৰে তেওঁ 'ৰামধেনু' আলোচনীৰ জৰিয়তে আধুনিক অসমীয়া সাহিত্যক সমৃদ্ধ ৰূপত প্ৰতিষ্ঠা কৰিছিল।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত সৃষ্টিশীল সাহিত্যৰ ভিতৰত গল্প আৰু উপন্যাস দুয়োটা ৰূপেই উল্লেখযোগ্য। 'কলং আজিও বয়' (১৯৬১ চন), 'সাতসৰী' (১৯৬৩ চন), 'কালৰ





হুমুনিয়া' (১৯৮২ চন) আদি গল্প সংকলনত সত্তৰটাতকৈও অধিক গল্প সন্নিবিষ্ট হৈ আছে। এই গল্পসমূহত বাস্তৱবাদী ধাৰণাৰে সমাজৰ প্ৰতিটো স্তৰৰ সূক্ষ্ম বিশ্লেষণ প্ৰতিফলিত হৈছে। তথাপি ভট্টাচাৰ্যৰ উপন্যাসৰ মাজেৰেহে স্বকীয় চিন্তাধাৰাৰ বিস্তাৰ ঘটিছে বুলিব পাৰি। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সোতৰখন উপন্যাস ৰচনা কৰে। তেওঁ 'দেৱ দুন্দুভি বাজে কাৰ বাবে' (১৯৬৮ চন) নামৰ এখন অনূদিত উপন্যাসো ৰচনা কৰে। প্ৰসঙ্গক্ৰমে তেওঁৰ ৰচিত উপন্যাসসমূহৰ নাম উল্লেখ কৰাটো প্ৰয়োজনীয় ৰূপে বিবেচিত হয়। প্ৰকাশকাল অনুসৰি উপন্যাসসমূহ হৈছে - 'ৰাজপথে ৰিঙিয়ায়' (১৯৫৫), 'ইয়াৰুইঙ্গম' (১৯৬০), 'আই' (১৯৬০), 'শতঘ্নী' (১৯৬৫), 'নষ্টচন্দ্ৰ' (১৯৬৮), 'মৃত্যুঞ্জয় (১৯৭০), 'প্ৰতিপদ' (১৯৭০), 'চিনাকি সুঁতি' (১৯৭১), 'কবৰ আৰু ফুল' (১৯৭২), 'কল্লৰী' (১৯৭৩), 'ৰঙা মেঘ' (১৯৭৬), 'ডাইনী' (১৯৭৬), 'সৰং কোঁৱৰ (১৯৭৮), 'মুনিচুনিৰ পোহৰ' (১৯৭৯), 'চতুৰঙ্গ' (১৯৮৭), 'ফুল কোঁৱৰৰ পখীঘোঁৰা' (১৯৮৮) আৰু 'বলিয়া সময়' (২০০৯)। 'বলিয়া সময়' উপন্যাস তেওঁৰ মৃত্যুৰ পিছতহে প্ৰকাশ লাভ কৰে। এই উপন্যাসসমূহে ভট্টাচাৰ্যৰ মৌলিক চিন্তা-চৰ্চাৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটায় যদিও কেইখনমান উপন্যাস বিশেষ ৰূপত সমাদৃত হয়। এই উপন্যাস কেইখনৰ মাজত ঔপন্যাসিকৰ ব্যক্তিগত অনুভৱৰ সকলোবোৰ দিশ উন্মোচিত হৈছে। তেওঁৰ উপন্যাসসমূহত সামাজিক চেতনাৰ লগতে ৰাজনৈতিক উপলব্ধিও স্পষ্টৰূপত লক্ষ্য কৰিব পাৰি। যাৰবাবে বেছিভাগ উপন্যাসত একোটা ৰাজনৈতিক ঘটনাক্ৰমৰ আধাৰত সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তি মানসিকতাৰ স্বৰূপ প্ৰকাশিত হৈছে। তেওঁৰ 'ৰাজপথে ৰিঙিয়ায়' উপন্যাসত স্বাধীনতাৰ প্ৰাক্-মুহূৰ্তৰ এখন চিত্ৰ অংকিত হৈছে। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে সমগ্ৰ ভাৰতৰ লগতে অসমে দীৰ্ঘদিনীয়া পৰাধীনতাৰ পৰা মুক্তি লাভ কৰে। কিন্তু এনে তথাকথিত ৰাজনৈতিক স্বাধীনতাই ব্যক্তি মানসিকতাক আপ্লুত কৰিব পৰা নাই। উপন্যাসখনৰ মূল চৰিত্ৰ মোহনৰ বাবে স্বাধীনতা ধনীক শ্ৰেণীৰহে স্বাৰ্থ সিদ্ধিৰ আধাৰ স্বৰূপ। নিম্ন মধ্যবিত্ত শ্ৰেণীৰ যুৱক মোহনে তথাকথিত স্বাধীনতাৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে। বাস্তৱ সন্মতভাৱে চৰকাৰী গ্ৰেপ্তাৰৰ জৰিয়তে যুৱকজনক ৰোধিবলৈ চেষ্টা কৰা হৈছে যদিও এই সমাজবাদী চেতনাৰ ধাৰাটোৱে সমগ্ৰ উপন্যাসখনত ক্ৰিয়া কৰিছে। সমগ্ৰ বিশ্বৰ শ্ৰেণী সংগ্ৰামৰ বৃহৎ দৃশ্যৰ আধাৰত গঢ়ি উঠা মাৰ্ক্সবাদী চিন্তাধাৰাৰ অনুগামী এনে চিত্ৰই উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈকে ক্ৰিয়া কৰিছে। এনে মাৰ্ক্সবাদী চিন্তাই সমাজবাদী আদৰ্শৰে উপন্যাসখনত প্ৰকাশ লাভ কৰিছে। প্ৰকৃততে ঔপন্যাসিকৰ ব্যক্তিগত সমাজবাদী চিন্তাৰ আধাৰতে এনে সাহিত্যিক ৰূপে প্ৰকাশৰ সমল পাইছিল। ভট্টাচাৰ্যই উপন্যাসখনৰ যোগেদি সমাজবাদী আদৰ্শৰ নতুন দৰ্শনক জনসাধাৰণৰ মাজলৈ লৈ আহিছিল। প্ৰকৃততে উপন্যাসখনৰ ডাঃ হাজৰিকা, অপৰাজিতা বা নুৰ বিবিৰ খণ্ডিত ধাৰণাক মোহনে একত্ৰিত ৰূপত প্ৰকাশ কৰিছে। মোহনে জনসাধাৰণক উদ্দেশ্য মনৰ ভাৱ ব্যক্ত কৰিবলৈ সুবিধাও লাভ কৰিছে। মঞ্চত জনগণক উদ্দেশ্য কৰি চৰিত্ৰটোৱে কৈছে, "ৰাজপথত আজি বাউলৰ দল জাগিছে ...... কিন্তু শিল্পী এতিয়াও জগা নাই। আমাক এনে কবি লাগে যাৰ কণ্ঠত ইতিহাস নিৰ্মাতা অমৃত



Scanned by TapScanner


MMahanta
PRINCIPAL, i/c
Marangi Mahavidyalaya

# 2020-2021

## *Full Papers in Conference Proceedings*

2. **Dr.**ChewariSarma.

*AsomorSamajikPrekshapototChahJanagosthi yaAbasthiti-AtiAbolokon*



The proceedings volume released on the occasion of ICSSR sponsored National Seminar on ETHNIC DIVERSITY OF NORTH EAST INDIA AND INDIAN DEMOCRCY (held on 8th & 9th November, 2019)

**Review Committee:**

Prof. Munmun Majumdar, Dept. of Political Science
North Eastern Hill University, Shillong
Prof. Adil Yul Yasin, (Retd.), Dept. of Politcal Science
Dibrugarh University, Dibrugarh
Dr. Paresh Chandra Dutta, (Retd.), D.R. College Golaghat (Assam)
Prof. Hemkanta Phukan (Retd.) D.R. College Golghat (Assam)

**Editorial Board:**

**Advisor:** Dr. Apurba Saikia, Principal
Furkating College, Golaghat
**Editor:** Dr. Amulya Kr. Borah, Associate Professor& Head,
Dept. of Political Science

**Members:**

Dr. Debashis Baruah, Associate Professor & Head, Dept. of English
Mr. Jatin Mech, Assistant Professor, Department of Political Science
Mr. Ripunjoy Bora, Asstt. Professor (Contractual) Dept. of Political Science

**First Edition: November, 2020**

**© Copy right reserved by Furkating College, Golaghat**

ISBN : 978-93-82976-55-4

Price : 500/-

Printed at : Angik Prakashan, GNB Road, Panbazar, Guwahati-1
Email : dibakarhaz@gmail.com

Published by: **Saraswati Prakashan,** Golaghat on behalf of **Furkating College.**

The responsibility for the facts stated, opinion expressed & conclusion drawn are entirely that of author & neither the editorial board nor publisher is responsible for them.

PRINCIPAL, i/c
...gi Mahavidyalaya

Scanned by TapScanner

- **Identity Movement of the Ahoms in the Colonial Period of Assam: The Ahom Sabha**
  *Khogen Gogoi* 291

- **A study of Ethnic life and Culture in respect of *Rangmilir hnhi (1981)***
  *Dipankar Satola* 303

- **Significance and importance of the historic Laxmi puja of Bijni- A case study**
  *Subrata Dutta* 307

- **Ethnic Literature from North East India: Representation of an oscillating existence in Jibon Chandra Goswami's 'Aeolingar Jui'**
  *Urvashi Chetia* 314

- টাই খাময়াং সমাজ আৰু সংস্কৃতি ঃ এক বিহঙ্গম দৃষ্টিপাত
  গায়ত্ৰী বৰুৱা 324

- অসমৰ দেউৰী জনগোষ্ঠীৰ সাংস্কৃতিক পৰম্পৰা আৰু পৰিবৰ্তন ঃ এটি অধ্যয়ন
  চয়নিকা শইকীয়া 331

- অসমৰ নেপালী জনগোষ্ঠীৰ লোক বিশ্বাস ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন
  ড° জয়া কলিতা 342

- অসমৰ সামাজিক প্ৰেক্ষাপটত চাহ-জনগোষ্ঠীয় অৱস্থিতি — এটি অৱলোকন
  ছেৱাৰী শৰ্মা 359


Scanned by TapScanner

# অসমৰ সামাজিক প্ৰেক্ষাপটত চাহ-জনগোষ্ঠীয় অৱস্থিতি — এটি অৱলোকন

ছেৰোৰী শৰ্মা, সহকাৰী অধ্যাপিকা
বিনোদ কোঁৱৰ, সহকাৰী অধ্যাপক

**অৱতৰণিকা ঃ**

অসমলৈ প্ৰাচীন কালৰে পৰা বিভিন্ন জাতি-জনজাতি মানুহৰ আগমন ঘটিছে আৰু পূৰ্বৰেপৰা বাস কৰা ব্যক্তিগোটৰ লগত এক সমন্বয় স্থাপন কৰিছে। পূৱ ভাৰতৰ বিস্তৃত ভু-খণ্ড অসমখন ভিন্ন জনগোষ্ঠীৰ লোকৰ বাসোপযোগী হোৱাৰ মূল কাৰণ ইয়াৰ ভৌগলিক পৰিৱেশ। এনে পৰিৱেশে জনসমষ্টিৰ প্ৰাথমিক প্ৰয়োজন পূৰণ কৰি জীৱন নিৰ্বাহৰ সুবিধা প্ৰদান কৰিছে। অসমলৈ আগমন ঘটা প্ৰত্যেক জনগোষ্ঠীয়ে পাহাৰ আৰু ভৈয়াম বিস্তৃৰ্ণ অঞ্চলত স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছিল। অষ্ট্ৰিক, মংগোলীয়সকল আহি পতা গ্ৰাম্য-কৃষিমুখী সংস্কৃতিৰ ভেটিতে আলাপাইন-নৰ্ডিক-আৰ্যসকলে নতুন ৰীতি-নীতিৰে সংস্কৃতিৰ ধাৰা বহন কৰিলে। এই ভু-খণ্ডলৈ ইংৰাজৰ শাসনকালত চাহ-বাগিচাত শ্ৰমদানৰ বাবে আমদানি ঘটোৱা এটা অন্যতম জনসমষ্টি হৈছে চাহ-জনগোষ্ঠীয় লোকসকল। ১৮৪০ চনৰ পৰা ১৯৫০ চনলৈকে ইংৰাজৰ ব্যৱসায়িক স্বাৰ্থসিদ্ধিৰ বাবে অসমলৈ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ পৰা শ্ৰমিক অনা প্ৰক্ৰিয়াটো চলি আছিল। 'আৰকটীয়া' আৰু 'গিৰমটীয়া' (চাহ বাগিচাৰ জীৱন সংস্কৃতি- পৃ-১৬) চুক্তিৰ ফলত অসমলৈ অহা চাহ-জনগোষ্ঠীয় লোকসকল দৰং, শোণিতপুৰ, নগাওঁ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া আদি জিলাৰ চাহ-বাগিচাসমূহ আৰু তাৰ আশে-পাশে বসবাস কৰিবলৈ লয়। সেই লোকসকলে স্বাভাৱিকতে নিজস্ব পৰম্পৰাত সাংস্কৃতিক অভিজ্ঞতা বহন কৰি আনিছিল। বাগিচাৰ আৱদ্ধ শ্ৰমসৰ্বস্ব জীৱনশৈলী গ্ৰহণ কৰিও এইসকল লোকে অসমৰ থলুৱা সামাজিক জীৱনৰ লগতো এক আন্তৰিক সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়াস কৰে। সেয়েহে অসমৰ সামাজিক জীৱনত চাহ-জনগোষ্ঠীয় লোকৰ অৱস্থিতি এক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰা পৰিলক্ষিত হয়।

Scanned by TapScanner